# অসম বিধান সভা

## তৰাবিহীন প্ৰশ্ন নং – ৪৯৩

## বিষয়ঃ **ৰেচন কাৰ্ডৰ সমস্যা**

## বিধায়কৰ নামঃ শ্ৰীমতী বেবী বেগমঃ

## উত্তৰ দিয়া তাৰিখঃ ২৩/০৭/২০২৬

**প্ৰশ্নঃ**

**মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) ৰাজ্যখনত বৰ্তমান সৰ্বমুঠ কিমানটা পৰিয়াল আছে? এই পৰিয়ালবোৰৰ মাজত কিমানটা পৰিয়াল দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ আৰু কিমানটা পৰিয়াল দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰি আছে? (জিলা ভিত্তিক বিস্তৃত তথ্য পৃথকে দাখিল কৰিব)

(খ) ৰাজ্যখনত থকা সৰ্বমুঠ পৰিয়ালৰ বিপৰীতে কিমানটা পৰিয়ালৰ ৰেচন কাৰ্ড আছে? ৰেচন কাৰ্ড থকা পৰিয়ালবোৰৰ ভিতৰত কিমানটা এ পি এল আৰু কিমানটা বি পি এল পৰিয়াল? (বিস্তৃত তথ্য দাখিল কৰিব)

(গ) একাংশ বি পি এল পৰিয়ালে এতিয়াও ৰেচন কাৰ্ড নোপোৱাকৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে? যদি হয়, তেনে পৰিয়াল সমূহক ৰেচন কাৰ্ড যোগান ধৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'বনে? (বিস্তৃত তথ্যসহ দিব)

(ঘ) এ পি এল তালিকাভুক্ত একাংশ পৰিয়ালৰ বহু সময়ত আকস্মিক ভাৱে উপাৰ্জন হ্ৰাস পালে তেনে পৰিয়ালবোৰক জৰুৰী ভিত্তিক বি পি এল ৰেচন কাৰ্ড যোগান ধৰাৰ কোনো ব্যৱস্থা আছেনে? জনাব।

(ঙ) ৰেচন ব্যৱস্থা সাৰ্বজনীন কৰিবলৈ ১০০ শতাংশ পৰিয়ালক ৰেচন কাৰ্ড যোগানৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'বনে? জনাব।

**উত্তৰঃ**

**মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰীকৌশিক ৰায় মহোদয়ে উত্তৰ দিবঃ**

**(ক)** ২০১১ চনৰ লোকপিয়ল মতে ৰাজ্যখনৰ সৰ্বমুঠ পৰিয়ালৰ সংখ্যা ৬৪,০৬,৪৭১ টা আৰু মুঠ জনসংখ্যা ৩,১২,০৫,৫৭৬ জন।

উল্লেখিত পৰিয়াল সমূহৰ ভিতৰত কিমানটা পৰিয়াল দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ আৰু কিমানটা পৰিয়াল দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে এই তথ্য খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগত উপলব্ধ নহয়।

**(খ)** ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত অসমত হিতাধিকাৰীৰ নিৰ্ধাৰিত লক্ষ্য হৈছে ২,৫১,৮৯,৭৭৫ জন। উল্লেখযোগ্য যে জুলাই ২০২৬ মাহৰ PMGKAY চাউলৰ আৱন্টন অনুসৰি ৰাজ্যখনত সৰ্বমুঠ ২,৪৮,৬৪,১৫৭ জন হিতাধিকাৰীক সামৰি ৭০,৩১,৩০০ টা পৰিয়ালৰ ৰেচন কাৰ্ড আছে। এই পৰিয়াল সমূহক অন্তোদয়া অন্ন যোজনা (AAY) আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়াল (PHH) হিচাপে বিভক্ত কৰা হৈছে। জুলাই, ২০২৬ মাহৰ PMGKAY চাউলৰ Online আৱন্টন অনুসৰি অসমত সৰ্বমুঠ ৬৬৫৬২৪ টা AAY পৰিয়াল আৰু ৬৩৬৫৬৭৬ টা PHH পৰিয়াল উপকৃত হৈ আছে। উল্লেখযোগ্য যে এই ৰেচন কাৰ্ড প্ৰাপ্ত পৰিয়াল সমূহৰ ক্ষেত্ৰত পূৰ্বতে থকা API অথবা BPL পৰিয়ালৰ ধাৰণা বৰ্তমান নাই। খাদ্য সুৰক্ষা আইন প্ৰণয়নৰ পাছৰে পৰা কেৱল AAY আৰু PHH হিচাপে দুই ধৰণৰ ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে। ৰেচন কাৰ্ড প্ৰাপ্ত পৰিয়াল সমূহৰ জিলা ভিত্তিক তথ্য সংলগ্ন 'ক'ত সন্নিবিষ্ট কৰি অসম বিধান সভাৰ ৱেবচাইট www.neva.gov.in ত উপলব্ধ কৰা হ'ল।

**(গ)** ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ (NFSA) অধীনত শেহতীয়াভাবে ৰাজ্যখনত যোৱা জুন, ২০২৫ মাহত চৰকাৰৰ নিৰ্দেশনা অনুযায়ী প্ৰতিটো সমষ্টিৰ বাবে ৪০০০ (চাৰি হাজাৰ) কৈ মুঠ ৫,০৪,০০০ নতুন হিতাধিকাৰী বাচনি কৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ (NFSA) অধীনত অন্তৰ্ভুক্ত কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছিল। এই নতুন ৫,০৪,০০০ নিৰ্বাচিত হিতাধিকাৰী সকলক ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ (NFSA) অধীনত সামৰি লোৱাৰ প্ৰক্ৰিয়াটো ইতিমধ্যে ফেব্ৰুৱাৰী, ২০২৬ মাহত সমাপ্ত হৈছে। এই প্ৰক্ৰিয়াৰ সমাপ্তিৰ পিছতো যদি কোনো যোগ্য দৰিদ্ৰ পৰিয়াল ৰেচন কাৰ্ড পোৱাৰ পৰা বঞ্চিত হৈ ৰৈ গৈছে, তেনে পৰিয়ালৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰি পৰৱৰ্তী পৰ্যায়ত নতুনকৈ বাচনি কৰি সামৰি লোৱা হ'ব।

**(ঘ)** খাদ্য সুৰক্ষা বিধিৰ সংশ্লিষ্ট দফা অনুসৰি আৱশ্যকীয় আয় ৪ (চাৰি) লাখ টকাৰ তলৰ সকলো যোগ্য হিতাধিকাৰীক এই বিভাগে নিৰ্দিষ্ট কৰি দিয়া বিশেষ প্ৰক্ৰিয়াৰ মাজেৰে বাচনি কৰি ৰেচন কাৰ্ড প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, এই ৰেচন কাৰ্ড প্ৰাপ্ত পৰিয়াল সমূহৰ ক্ষেত্ৰত  পূৰ্বতে থকা APL অথবা BPL পৰিয়ালৰ ধাৰণা বৰ্তমান নাই। খাদ্য সুৰক্ষা আইন প্ৰণয়নৰ পাছৰে পৰা কেৱল AAY আৰু PHH হিচাপে দুই ধৰণৰ ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে। বৰ্তমান, কোনো পৰিয়ালৰ বাৰ্ষিক আয় ৪ (চাৰি) লাখতকৈ কম হলেহে ৰেচন কাৰ্ড পোৱাৰ বাবে যোগ্য বিবেচিত হয়। কোনো পৰিয়ালৰ উপাৰ্জন যদি ৪ (চাৰি) লাখতকৈ হ্ৰাস পায়, তেন্তে তেনে পৰিয়ালক বাচনিৰ বাবে এই বিভাগে নিৰ্দিষ্ট কৰি দিয়া প্ৰক্ৰিয়াৰ মাজেৰে নিৰ্বাচিত কৰাৰ ব্যৱস্থা আছে।

**(ঙ)** ৰেচন ব্যৱস্থা সাৰ্বজনীন কৰিবলৈ আৰু ১০০ শতাংশ যোগ্য পৰিয়ালক ৰেচন কাৰ্ড যোগানৰ বাবে এই বিভাগে অবিৰতভাৱে কাম কৰি আছে। এই ক্ষেত্ৰত যোগ্য পৰিয়ালক অন্তৰ্ভুক্তি কৰাৰ বাবে অযোগ্য তথা ৪ (চাৰি) লাখতকৈ অধিক উপাৰ্জন থকা আৰু আন আন পৰিকাঠামোৰ ভিত্তিত উক্ত পৰিয়ালসমূহৰ ৰেচন কাৰ্ড কৰ্তন কৰাৰ ব্যৱস্থা কৰা হৈছে।

*******

সংলগ্ন-ক

| Statement Showing District/ Sub Division-Wise count of Ration Cards and Beneficiaries as per Online Allocation of NFSA Rice for the Month of July/2026 in respect of Assam. | | | | | | | |
|---|---|---|---|---|---|---|---|
| Sl. No. | District/Sub-Division Name | AAY Cards | PHH Cards | Total Cards | AAY Beneficiaries | PHH Beneficiaries | Total Beneficiaries |
| 1 | Baksa | 12779 | 117059 | 129838 | 43400 | 425105 | 468505 |
| 2 | Bajali | 7364 | 61102 | 68466 | 23837 | 217379 | 241216 |
| 3 | Barpeta | 29476 | 286417 | 315893 | 98638 | 1080764 | 1179402 |
| 4 | Biswanath | 18642 | 160016 | 178658 | 62180 | 581565 | 643745 |
| 5 | Bongaigaon | 15745 | 149424 | 165169 | 54073 | 551371 | 605444 |
| 6 | Cachar | 36254 | 346215 | 382469 | 117113 | 1244981 | 1362094 |
| 7 | Charaideo | 10467 | 94237 | 104704 | 33116 | 324050 | 357166 |
| 8 | Chirang | 14239 | 105711 | 119950 | 43922 | 380738 | 424660 |
| 9 | Darrang | 17597 | 194286 | 211883 | 55246 | 695018 | 750264 |
| 10 | Dhemaji | 16868 | 166519 | 183387 | 53383 | 556253 | 609636 |
| 11 | Dhubri | 29896 | 308670 | 338566 | 106589 | 1214385 | 1320974 |
| 12 | Dibrugarh | 26979 | 264347 | 291326 | 81477 | 867952 | 949429 |
| 13 | Dima Hasao | 4478 | 31714 | 36192 | 14204 | 115877 | 130081 |
| 14 | Goalpara | 17895 | 201844 | 219739 | 59969 | 701881 | 761850 |
| 15 | Golaghat | 28311 | 226478 | 254789 | 81247 | 708759 | 790006 |
| 16 | Hailakandi | 14940 | 135830 | 150770 | 43608 | 517842 | 561450 |
| 17 | Hojai | 18131 | 145654 | 163785 | 73655 | 721306 | 794961 |
| 18 | Jorhat | 22694 | 199480 | 222174 | 67091 | 612875 | 679966 |
| 19 | Kamrup | 40869 | 352381 | 393250 | 126912 | 1162646 | 1289558 |
| 20 | Kamrup Metropolitan | 7062 | 192169 | 199231 | 21172 | 590405 | 611577 |
| 21 | Karbi Anglong | 9996 | 116827 | 126823 | 33209 | 435639 | 468848 |
| 22 | Karimganj (Sribhumi) | 21577 | 236359 | 257936 | 75226 | 931299 | 1006525 |
| 23 | Kokrajhar | 23183 | 212308 | 235491 | 74626 | 779017 | 853643 |
| 24 | Lakhimpur | 24082 | 231858 | 255940 | 73883 | 791399 | 865282 |
| 25 | Majuli | 6540 | 38342 | 44882 | 22193 | 144569 | 166762 |
| 26 | Morigaon | 20151 | 219429 | 239580 | 62478 | 746989 | 809467 |
| 27 | Nagaon | 38025 | 347310 | 385335 | 137908 | 1449721 | 1587629 |
| 28 | Nalbari | 21705 | 169760 | 191465 | 72184 | 565750 | 637934 |
| 29 | Sibsagar | 18971 | 145324 | 164295 | 55940 | 476619 | 532559 |
| 30 | Sonitpur | 19914 | 238462 | 258376 | 58516 | 771226 | 829742 |
| 31 | South Salmara Mancachar | 7055 | 80771 | 87826 | 25937 | 354760 | 380697 |
| 32 | Tamulpur | 9454 | 91238 | 100692 | 26012 | 283197 | 309209 |
| 33 | Tinsukia | 28446 | 261201 | 289647 | 83023 | 861587 | 944610 |
| 34 | Udalguri | 23636 | 186174 | 209810 | 74420 | 661559 | 735979 |
| 35 | West Karbi Anglong | 2203 | 50760 | 52963 | 6462 | 196825 | 203287 |
| | Total | 665624 | 6365676 | 7031300 | 2142849 | 22721308 | 24864157 |